NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-04-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কালি প্ৰায় শান্তিপূৰ্ণভাৱে সম্পূৰ্ণ হয়। ১৩খন ৰাজ্যৰ ৮৮টা সমষ্টি সামৰি হোৱা এই পৰ্য়ায়ৰ নিৰ্বাচনত সামগ্ৰিকভাৱে প্ৰায় ৬৮ দশমিক ৪-৮ শতাংশ ভোটদান হয়।

২। অসমত এই পৰ্যায়ত প্ৰায় ৭৭ দশমিক ৩-৫ শতাংশৰো ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

৩। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভাৰতক বিশ্বৰ সৰ্ববৃহৎ অৰ্থব্যৱস্থাসমূহৰ অন্যতম ৰূপে গঢ়ি তোলাৰ কৃতিত্ব প্ৰদান কৰিছে।

৪। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বৰপেটা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী দ্বীপ বায়নৰ হকে নিৰবাচনী সভাত অংশগ্ৰহণ কৰিব।

আৰু

৫। পাঞ্জাব কিংছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কলকাতা নাইটৰাইৰ্ডাছক ৮ উইকেটত পৰাস্ত কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কালি প্ৰায় শান্তিপূৰ্ণভাৱে সম্পূৰ্ণ হয়। সমাজৰ সকলো শ্ৰেণীৰ লোকে প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহকো নেওচি ভোটগ্ৰহণত অংশগ্ৰহণ কৰে। ১৩খন ৰাজ্যৰ ৮৮টা সমষ্টি সামৰি হোৱা এই পৰ্য়ায়ৰ নিৰ্বাচনত সামগ্ৰিকভাৱে প্ৰায় ৬৮ দশমিক ৪-৮ শতাংশ ভোটদান হয়।

মধ্য প্ৰদেশৰ বেটুল সংসদীয় সমষ্টিৰ বাবেও কালি ভোটগ্ৰহণ হোৱাৰ কথা আছিল যদিও বি এছ্ পিৰ প্ৰাৰ্থীগৰাকীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোত ভোটগ্ৰহণ তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হৈছে।

এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ নেতাসকলৰ ভিতৰত কংগ্ৰেছৰ ৰাহুল গান্ধী, চি পি আইৰ এনি ৰাজা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰ, কংগ্ৰেছ নেতা শশী থাৰুৰ, বিজেপিৰ তেজস্বী সূৰ্য, হেমামালিনী, অৰুণ গভিল, ওম বিৰলা, কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জে ডি এছৰ এইছ্ ডি কুমাৰ স্বামী, বিজেপিৰ দিলীপ শইকীয়া, পৰিমল শুক্লবৈদ্য, আৰু কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈ অন্যতম। এই পৰ্যায়ত মুঠ এহেজাৰ ২০২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

অসমৰ ৫ টা সমষ্টিতো কালি শান্তিপূৰ্ণভাৱে দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। ৰাজ্যখনত প্ৰায় ৭৭ দশমিক ৩-৫ শতাংশৰো ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। দৰং-ওদালগুৰি সমষ্টিত ৭৮ দশমিক ৪-১, ডিফুত প্ৰায় ৭৩ দশমিক ১-১, কৰিমগঞ্জত ৭৫ দশমিক ৬-৩, নগাঁৱত ৮০ দশমিক ৫-৬ আৰু শিলচৰত ৭৫ দশমিক ৯-৭ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। দ্বিতীয় পৰ্যায়ৰ

নিৰ্বাচনত ৰাজ্যখনত ২ গৰাকী মহিলা প্ৰাৰ্থীসহ মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত কৰিমগঞ্জত সৰ্বাধিক ২৪ গৰাকী, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে।

দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধেশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিছে। অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হৈ অমৰছিং তিছ', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টিৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিছে।

নিৰ্বাচন আয়গে কৈছে যে দ্বিতীয় পৰ্যায়ৰ ভটগ্ৰহণৰ সময়ত শান্তি শৃংখলা বৰ্তাই ৰখাৰ লগতে নিৰ্ভয়ে ভোটদান কৰাৰ বাবে ভোটতদাতাসকলৰ বাবে অনুকুল বাতাবৰণ গঢ়ি তোলাৰ উদ্দেশ্যে কঠোৰ ব্যৱস্থা বলবৎ কৰা হয়। ১ লাখৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিংৰ ব্যৱস্থা কৰা বুলি আয়োগে প্ৰকাশ কৰিছে। আয়োগে লগতে ছত্তিশগড়ৰ বাষ্টাৰ সংমণ্ডলৰ ১০২খন গাঁৱৰ লোকে এইবেলি লোকসভা নিৰ্বাচনত প্ৰথমবাৰৰ বাবে ভোটদান কৰা বুলি জানিবলৈ দিছে। ০০০০০

গুজৰাটৰ নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আৰু কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাই আজি দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব।ৰাজ্যখনত অহা মে'ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি পোৰবন্দৰ ভাৰত আৰু পঞ্চমহলত দলীয় প্ৰাৰ্থীৰ হৈ ৩টা ৰেলীত অংশগ্ৰহণ কৰিব। সন্ধিয়াৰ আগলৈ শ্ৰী শ্বাহে বডোডৰাত এটা ৰোড শ্ব'ত ভাগ ল'ব। আনহাতে কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভাদ্ৰাই আজি উত্তৰ গুজৰাটত প্ৰথমবাৰৰ বাবে নিৰ্বাচনী প্ৰচাৰ চলাব। তেওঁ বলছাড জিলাৰ ধৰমপুৰত এটা নিৰ্বাচনী ৰেলীক সম্বোধন কৰিব। দলৰ জ্যেষ্ঠ নেতা মুকুন্দ ৱাছনিক আৰু ৰাজ্যিক কংগ্ৰেছৰ নেতা শক্তিসিত গোহিলেও আজি নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ ল'ব।

০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভাৰতক বিশ্বৰ সৰ্ববৃহৎ অৰ্থব্যৱস্থাসমূহৰ অন্যতম ৰূপে গঢ়ি তোলাৰ কৃতিত্ব প্ৰদান কৰিছে। তেওঁ দেশৰ পৰিবৰ্তন আনিবলৈ সমৰ্থ হৈছে আৰু বিগত এটা দশকত উন্নয়নৰ ন ন পৰিকল্পনাই আগবাঢ়িছে। শ্ৰী ন্যাড্ডাই কয় যে যি সময়ত ইউৰোপ, জাপান আৰু ৰাছিয়াৰ দৰে দেশৰ অৰ্থনীতি থৰগ বৰক হৈ পৰিছে সেই সময়তো ভাৰত উজ্বল নক্ষত্ৰৰ দৰে অবিৰতভাবে আগবাঢ়ি গৈছে। কৰ্ণাটকৰ বিদৰত কালি এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰী নাড্ডাই এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ১০ বছৰ পূৰ্বে জনসাধাৰণে কোনো ধৰণৰ পৰিবৰ্তন নহ'ব বুলি আৰু নেতাসকলে এনেদৰে দেশ চলাই নিব বুলি মন্তব্য কৰিছিল আৰু নেতাসকল প্ৰকৃত অৰ্থত পৰিবৰ্তন সাধাৰণৰ

বাবে আগ্ৰহী নহয় বুলি অনুভৱ কৰিবলৈ লৈছিল। কিন্তু প্ৰধানমনন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত দশকত দেশৰ পৰিবৰ্তন সাধিছে আৰু দেশক উন্নয়নৰ দিশে আগবঢ়াই নিছে। মুঠ ঘৰুৱা উৎপাদনৰ ক্ৰম তালিকাত ভাৰত একাদশ স্থানত থকাৰ কথা উল্লেখ কৰি শ্ৰী নাড্ডাই কয় যে বৰ্তমান ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ ৰূপে পৰিগণিত হৈছে আৰু বৃটেইনৰ দৰে দেশক চেৰ পেলাবলৈ সমৰ্থ হৈছে।

০০০০০

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বৰপেটা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী দ্বীপ বায়নৰ হকে নিৰবাচনী সভাত অংশগ্ৰহণ কৰিব। ভ্ৰমণ সামৰাৰ পূৰ্বে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে গুৱাহাটীত সংবাদদাতাসকলৰ সৈতে মত বিনিময় কৰিব।

অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ কথা আছে। ৰাজ্যখনত তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা ধুবুৰী আৰু কোকৰাঝাৰত ৭ মে'ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০

উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে কৈছে যে চাৰি ধাম যাত্ৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে আৰু এই যাত্ৰাৰ বাবে প্ৰায় ১৬ লাখ লোকে নাম পঞ্জীয়ন কৰিছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয় যে প্ৰয়োজন সাপেক্ষে পথ পৰিবহন ব্যৱস্থা, পাৰ্কিং সুবিধা, হোটেল, ধাবা, ৰেষ্টুৰেণ্টৰ সেৱা আদিৰ উন্নয়নৰ বিষয়ে আলোচনা কৰা হৈছে। সচিবালয়ত কালি চলিত বৰ্ষৰ চাৰিধাম যাত্ৰাৰ প্ৰস্তুতি সম্পৰ্কে অনুষ্ঠিত বৈঠকত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে যাত্ৰাৰ সময়ছোৱাত যাত্ৰা পথত খোৱা পানী, বিদ্যুৎ আদিৰ সঠিক ব্যৱস্থা কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। য়মুনোত্ৰী, গংগোত্ৰী, কেডাৰনাথ আৰু বদ্ৰীনাথৰ যাত্ৰাক চাৰিধাম যাত্ৰা বুলি কোৱা হয়।

০০০০

পাঞ্জাব কিংছে যোৱা নিশা কলকাতাৰ ইডেনগাৰ্ডেছত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কলকাতা নাইটৰাইৰ্ডাছক ৮ উইকেটত পৰাস্ত কৰে। পাঞ্জাব কিংছে ২৬২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ৪ টা বলত ২টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। পাঞ্জাবৰ হৈ জ'নী বেয়ৰষ্টোই ১০৮ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। শশাংক সিঙে ৬৮ ৰাণৰ বৰঙণি আগবঢ়ায়।

ইয়াৰ পূৰ্বে কলকাতা নাইটৰাইৰ্ডাছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২৬১ ৰাণ কৰে। কলকাতাৰ হৈ ফিলিপ ছল্টে ৭৫ ৰাণ কৰাৰ বিপৰীতে সুনীল নাৰায়ণে ৭১ ৰাণৰ বৰঙণি আগবঢ়ায়। পাঞ্জাবৰ হৈ অশদীপ সিঙে ২টা উইকেট দখল কৰে। জ'নী বেয়ৰষ্টোক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত মুম্বাই ইণ্ডিয়ানছ দেলহী কেপিটেলছৰ বিৰুদ্ধে অবতীৰ্ণ হ'ব। আনহাতে সন্ধিয়া চাৰে ৭ বজাত লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ সম্প্ৰতি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত থকা ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব।

০০০০০